**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-07-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতুত্ত্যৰস্বৰূপে ভাৰতে চলোৱা শক্তিশালী, সফল আৰু নিৰ্ণায়ক সিন্দুৰ অভিযান সন্দৰ্ভত ৰাজ্যসভাত আজি পুনৰ আলোচনা অনুষ্ঠিত হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পশ্চিম বংগৰ নাদিয়া জিলাৰ কল্যাণীত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰথম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে।

৩। মণিপুৰত ১৩ আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন পুনৰ বৃদ্ধি কৰা প্ৰস্তাৱত লোকসভাই অনুমোদন জনাইছে।

৪। দেশত বৰ্তমান ৫৮৫টা আকাশবাণী এফ এম ষ্টেচন আৰু ৩৮৮টা ব্যক্তিগত এফ এম ৰেডিঅ' ষ্টেচন কাৰ্যকৰী হৈ আছে। আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট কাইলৈ অ'ভেলত আৰম্ভ হ'ব।

০০০০০০০

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতুত্ত্যৰস্বৰূপে ভাৰতে চলোৱা শক্তিশালী, সফল আৰু নিৰ্ণায়ক সিন্দুৰ অভিযান সন্দৰ্ভত ৰাজ্যসভাত আজি পুনৰ আলোচনা অনুষ্ঠিত হৈছে। আলোচনাত অংশ লৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে এই অভিযান সামৰাৰ ক্ষেত্ৰত মধ্যস্থতাকাৰীৰ ভূমিকাক অস্বীকাৰ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ মাজত চলিত বৰ্ষৰ ২২ এপ্ৰিলৰ পৰা ১৬ জুনলৈ কোনো ধৰণৰ ফোনযোগে কথা-বাৰ্তা হোৱা নাছিল। কোনো বিশ্ব নেতাই ভাৰতক এই অভিযান ৰোধ কৰাৰ বাবে আহ্বান জনোৱা নাছিল বুলি উল্লেখ কৰি ড০ জয়শংকৰে কয় যে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিৰ সৈতে হোৱা আলোচনাত পাকিস্তানে আক্ৰমণ কৰিলে ভাৰতে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি নিজৰ স্থিতি স্পষ্ট কৰি দিছিল।

অপাৰেচন সিন্দূৰৰ সফলতাত আলোকপাত কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে বাহাৱলপুৰ আৰু মুৰিদকেৰ দৰে পাকিস্তানৰ সৰ্ববৃহৎ সন্ত্ৰাসবাদী কেন্দ্ৰসমূহৰ বৃহৎ পৰিমাণৰ ক্ষয়-ক্ষতি হৈছে। তেওঁ লগতে উল্লেখ কৰে যে পাকিস্তানৰ বিমান ঘাটি ধ্বংস আৰু সন্ত্ৰাসবাদী শেষকৃত্যৰ ভিডিঅ'সমূহে এই অভিযানৰ সফলতাৰ বিষয়ে বহু কথাই কয়। তেওঁ দেশক গৌৰৱান্বিত কৰা সেনাবাহিনীৰ প্ৰদৰ্শন আৰু সামৰ্থ্যৰ প্ৰশংসা কৰে। মন্ত্ৰী ড০ জয়শংকৰে কয় যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰৰ উদ্দেশ্য আছিল জম্মু-কাশ্মীৰৰ অৰ্থনীতি ধ্বংস কৰা। উল্লেখযোগ্য যে ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত জম্মু-কাশ্মীৰত স্বাভাৱিক পৰিস্থিতি আৰু সমৃদ্ধি ঘূৰি আহিছিল।

ড০ জয়শংকৰে কয় যে এই আক্ৰমণৰ পাছত মন্ত্ৰীসভাৰ সমিতিয়ে সুৰক্ষা সন্দৰ্ভত গ্ৰহণ কৰা প্ৰথমটো সিদ্ধান্ত আছিল পাকিস্তানে সন্ত্ৰাসবাদৰ প্ৰতি থকা সমৰ্থন সম্পূৰ্ণ ৰূপে ত্যাগ নকৰা পৰ্যন্ত সিন্ধু জল

চুক্তি স্থগিত ৰখা। তেওঁ কয় যে বিগত ৬০ বছৰে জনসাধাৰণক জৱাহৰলাল নেহৰুৰ ভুল সিদ্ধান্তক শুধৰাব নোৱাৰি বুলি কৈ অহা হৈছিল, কিন্তু নৰেন্দ্ৰ মোদী চৰকাৰে এই ভুল যে শুধৰাব পাৰি সেয়া প্ৰতীয়মান কৰিলে। ১৯৪৭ চনৰ পৰা ভাৰতে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ সন্মুখীন হৈ আহিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেজ আৰু পানী একেলগে নবয় বুলি মন্তব্য কৰে। যোৱাটো দশকত ভাৰতে বিভিন্ন গোলকীয় মঞ্চত সন্ত্ৰাসবাদৰ বিষয়টো উত্থাপন কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰত থকা দ্য ৰেচিষ্টেণ্টছ্ ফ্ৰণ্ট নামৰ গোটটোক আমেৰিকা যুক্তৰাষ্ট্ৰই সন্ত্ৰাসবাদী গোট হিচাপে ঘোষণা কৰিছে।

আলোচনাত অংশ লৈ ৰাজ্যসভাৰ সদনৰ নেতা জে পি নাড্ডাই পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ গৰিহণা দিয়ে। তেওঁ কয় যে এই আক্ৰমণৰ দিনাই গৃহমন্ত্ৰী অমিত শ্বাহে শ্ৰীনগৰলৈ শীঘ্ৰেই যাত্ৰা কৰে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৌদি আৰৱ ভ্ৰমণ আধাতে সামৰে। এই কথাই এই বিষয়টোৰ প্ৰতি চৰকাৰখন কিমান সংবেদনশীল সেয়াই প্ৰতীয়মান কৰে। শ্ৰীনাড্ডাই সশস্ত্ৰ বাহিনী আৰু নিৰাপত্তা সংস্থাসমূহৰ ভূমিকাৰ প্ৰশংসা কৰে। এন ডি এ চৰকাৰে বৰ্তমান সন্ত্ৰাসবাদৰ সৈতে কঠোৰভাৱে মোকাবিলা কৰিছে বুলি তেওঁ লগতে উল্লেখ কৰে।

ইপিনে, ডি এম কেৰ সাংসদ এন আৰ এলাংগোৱে কয় যে কোনো ধৰণৰ সন্ত্ৰাসবাদ গ্ৰহণযোগ্য নহয়। তেওঁ কয় যে ভাৰতৰ সাৰ্বভৌমত্বত কোনো দেশে হস্তক্ষেপ কৰা উচিত নহয় আৰু ইয়াৰ অন্যথা উচিত শিক্ষা দিবই লাগিব। টি এম চিৰ সাংসদ দোলা সেনে চোৰাংচোৰাৰ বিফলতাৰ বিষয়টো উত্থাপন কৰি বাইচৰণ উপত্যকা সম্পূৰ্ণৰূপে সুৰক্ষিত নাছিল বুলি উল্লেখ কৰে। কংগ্ৰেছৰ অখিলেশ প্ৰসাদ সিঙে অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতীয় কূটনীতি চূড়ান্তভাৱে বিফল হোৱা বুলি অভিযোগ কৰে। উচ্চ সদনত এতিয়াও এই বিষয়ত আলোচনা অব্যাহত আছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পশ্চিম বংগৰ নাদিয়া জিলাৰ কল্যাণীত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰথম সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে। শ্ৰীমতী মুৰ্মুৱে তেওঁৰ ভাষণত কয় যে এই প্ৰতিষ্ঠানৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকৰ স্বাস্থ্য সেৱাত নিয়োজিত হৈ এইমছ কল্যাণীক ৰাষ্ট্ৰীয় গৌৰৱহিচাপে গঢ়ি তোলা উচিত। চৈতন্য মহাপ্ৰভু, নীল দৰ্পণৰ লেখক দীনবন্ধু মিত্ৰ, স্বাধীনতা যুঁজাৰু বাঘা যতিন, কল্যাণীৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ডঃ বিধান চন্দ্ৰ ৰয়ৰ উদাহৰণ দাঙি ধৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে কল্যাণীত বহু মহান প্ৰতিভাই জন্মগ্ৰহণ কৰিছে আৰু এইমছে এই পৰম্পৰাক আগবঢ়াই নিয়া উচিত। আজিৰ অনুষ্ঠানত পশ্চিম বংগৰ ৰাজ্যপাল ডঃ চি ভি আনন্দ বসু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

মণিপুৰত ১৩ আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ ছমাহৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন পুনৰ বৃদ্ধি কৰা প্ৰস্তাৱত লোকসভাই অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে যোৱা ১৩ ফেব্ৰুৱাৰীত মণিপুৰত বলবৎ কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ বৃদ্ধিৰ প্ৰতি সদনৰ অনুমোদন বিচাৰি আজি এই প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটো সন্দৰ্ভত হোৱা আলোচনাত ভাগ লৈ কংগ্ৰেছৰ এণ্ট' এণ্টনীয়ে ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ বিষয়টো উত্থাপন কৰে আৰু ৰাজ্যখনত শাসন ব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস হোৱা বুলি

অভিযোগ তোলে। সমাজবাদী পাৰ্টিৰ লালজী বাৰ্মাই ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছতো ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনাত কেন্দ্ৰীয় চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে।

০০০০০০

দেশত বৰ্তমান ৫৮৫টা আকাশবাণী এফ এম ষ্টেচন আৰু ৩৮৮টা ব্যক্তিগত এফ এম ৰেডিঅ' ষ্টেচন কাৰ্যকৰী হৈ আছে। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগানে লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে বিগত বৰ্ষৰ আগষ্টত চৰকাৰে জম্মু-কাশ্মীৰৰ তিনিটা চেনেলকে ধৰি এফ এম চেনেল নথকা ২৩৪খন নতুন চহৰৰ বাবে ৭৩০টা ব্যক্তিগত এফ এম চেনেলৰ ই-নিলামত অনুমোদন জনাইছিল। তেওঁ লগতে কয় যে এই নতুন চহৰকেইখনৰ এফ এম চেনেলসমূহৰ বাৰ্ষিক অনুজ্ঞাপত্ৰৰ মূল্য মুঠ ৰাজহৰ ৪ শতাংশ হ'ব। আনহাতে এই চেনেলসমূহ কাৰ্যকৰী হোৱাৰ পৰা প্ৰথম তিনি বছৰলৈ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য আৰু জম্মু-কাশ্মীৰৰ বাবে এই মূল্য মুঠ ৰাজহৰ ২ শতাংশ হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুদীৰ্ঘ ১২৭ বছৰৰ পাছত ভগৱান গৌতম বুদ্ধৰ পৱিত্ৰ পিপৰাহৱা ভগ্নাৱশেষ ভাৰতলৈ ঘূৰাই অনাৰ বিষয়টোৰ আদৰণি জনাইছে। শ্ৰীমোদীয়ে এটা বিবৃতিত ভগৱান বুদ্ধৰ শিক্ষাৰ প্ৰতি ভাৰতৰ গভীৰ শ্ৰদ্ধা তথা দেশৰ আধ্যাত্মিক আৰু ঐতিহাসিক সম্পদসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে। দেশৰ বৰ্ণাঢ্য ঐতিহ্যৰ বাবে এয়া অতি আনন্দ আৰু গৌৰৱৰ মুহূৰ্ত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে পিপৰাৱাহ ভগ্নাৱশেষ ১৮৯৮ চনত আৱিস্কাৰ কৰা হৈছিল, কিন্তু ব্ৰিটিছৰ শাসন কালত এই ভগ্নাৱশেষ ভাৰতৰ পৰা লৈ যোৱা হৈছিল। চলিত বৰ্ষৰ আৰম্ভণিতে আন্তঃৰাষ্ট্ৰীয় নিলামত এই ভগ্নাৱশেষ দেখা পোৱা যায় আৰু ইয়াৰ পাছতে চৰকাৰে ইয়াক দেশলৈ ঘূৰাই অনাটো নিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে এই প্ৰচেষ্টাত অৰিহণা যোগোৱা সকলোকে প্ৰশংসা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০য়ে ভাৰতীয় শিক্ষা ব্যৱস্থাক কিদৰে অধিক পূৰ্ণাংগ, ব্যাপক আৰু ভৱিষ্যতৰ বাবে সাজু কৰি তুলিছে সেই বিষয়ে ব্যাখ্যা কৰা এটা প্ৰবন্ধ শ্বেয়াৰ কৰে। শিক্ষা মন্ত্ৰালয়ৰ এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই শ্ৰীমোদীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এখন ৰাষ্ট্ৰীয় দৈনিক কাকতৰ বাবে লিখা এই প্ৰবন্ধটো শ্বেয়াৰ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ৫ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত এই প্ৰবন্ধটোত কিদৰে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ভাৰতৰ সভ্যতাজোৰা জ্ঞানৰ পৰা প্ৰেৰণা লৈ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰিছে সেয়া উল্লেখ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে পাঁচ বছৰৰ পাছত ইয়াৰ প্ৰভাৱ শ্ৰেণীকোঠাত স্পষ্টকৈ দেখিবলৈ পোৱা যাব।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট কাইলৈ অ'ভেলত আৰম্ভ হ'ব। অ'ল্ড ট্ৰেফৰ্ডত অনুষ্ঠিত চতুৰ্থ টেষ্টৰ দ্বিতীয় ইনিংছত দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখন ড্ৰ' কৰিবলৈ সমৰ্থ হোৱাৰ পিছত ভাৰতৰ মনোবল উন্নত হৈ আছে। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাত এতিয়ালৈকে ইংলেণ্ডে ২-১ ৰ অগ্ৰগতি লাভ কৰি আছে। পঞ্চম টেষ্টৰ বাবে ভাৰতীয় দলত আঘাতপ্ৰাপ্ত ঋষভ পণ্টৰ

ঠাইত ধ্রুৱ জুৰেলক অন্তৰ্ভুক্ত কৰা হৈছে। কুলদীপ যাদৱকো মূল একাদশত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

সমাপ্ত